**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মহাকাশ খণ্ডত ভাৰতে আজি উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে আৰু দেশৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ মান সহজ কৰি তুলিছে।

২। মহাকাশ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে মহাকাশ খণ্ড ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰাটো বিগত ১১ বছৰত কৰা মহানতম সংস্কাৰ বুলি অভিহিত কৰিছে।

৩। ডাক বিভাগে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ ডাক যোগে সামগ্ৰী প্ৰেৰণা ব্যৱস্থাটো সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

আৰু

৪। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি  ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মহাকাশ খণ্ডত ভাৰতে আজি উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে আৰু দেশৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ মান সহজ কৰি তুলিছে। মহাকাশ দিৱস উপলক্ষে এটা ভিডিঅ' বাৰ্তাযোগে শ্ৰী মোদীয়ে কয়, যে ভাৰতে মহাকাশ প্ৰযুক্তি কেৱল বৈজ্ঞানিক সম্পৰীক্ষা নহয়, ই লগতে জনসাধাৰণৰ জীৱন-ধাৰণ সহজ কৰি তুলিছে। তেওঁ কয়, যে বৰ্ধিত মহাকাশ প্ৰযুক্তি চৰকাৰৰ প্ৰশাসনীয় কামকাজৰ এটা অংশ হৈ পৰিছে। শ্ৰী মোদীয়ে কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে কৃষকৰ খাদ্য শস্যৰ বীমাৰ মূল্যাংকণ কৰাৰ বাবে ব্যৱহাৰ কৰা প্ৰযুক্তি, মাছমৰীয়াসকলৰ সুৰক্ষা আৰু তথ্য প্ৰদানৰ ব্যৱস্থা, দুৰ্যোগ প্ৰশমন আৰু প্ৰধানমন্ত্ৰী গতি-শক্তি ৰাষ্ট্ৰীয় মাষ্টাৰ প্লেনৰ ভৌগোলিক তথ্য আহৰণৰ উদাহৰণ দাঙি ধৰে। তেওঁ কয়, যে নতুন প্ৰযুক্তিৰে বিকশাই তোলা চেমি ক্ৰায়োজেনিক ইঞ্জিন আৰু ইলেক্‌ট্ৰিক প্ৰপালচনৰ জৰিয়তে অচিৰেই গগণযান উৎক্ষেপন কৰা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে অনাগত সময়ত ভাৰতে নিজৰ মহাকাশ কেন্দ্ৰ স্থাপন কৰিব বুলি দৃঢ়তা প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে কয়, যে অতি কম সময়ৰ, ভিতৰতে ৰাষ্ট্ৰীয় মহাকাশ দিৱস, যুৱ প্ৰজন্মৰ মাজত উৎসাহ আৰু আকৰ্ষণৰ বিষয় হৈ পৰিছে। তেওঁ লগতে কয়, যে মহাকাশ খণ্ডত ভাৰতে এটাৰ পাছত এটা উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। বিগত ১১ বছৰত চৰকাৰে মহাকাশ খণ্ডৰ বাবে ভালেমান সংস্কাৰ সাধন কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে ঘোষণা কৰে যে, অচিৰেই ব্যক্তিগত খণ্ডই বিকশাই তোলা প্ৰথম পি এছ্ এল ভি ৰকেটৰ উৎক্ষেপন কৰা হ'ব। তেওঁ সন্তুষ্টি প্ৰকাশ কৰি কয়, যে ভাৰতৰ প্ৰথম ব্যক্তিগত যোগাযোগ উপগ্ৰহ বিকশিত কৰাৰ

কাম অব্যাহত আছে। তেওঁ লগতে কয়, যে ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰে এটা ভূ-পৰ্যৱেক্ষণ কৃত্ৰিম উপগ্ৰহ মুকলি কৰাৰ বাবে প্ৰস্তুতি অব্যাহত আছে।

দুবছৰ পূৰ্বে চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত চন্দ্ৰযান অৱতৰণ কৰা প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈ ইতিহাস ৰচা সন্দৰ্ভত শ্ৰী মোদীয়ে কয়, যে ভাৰত ডকিং আৰু আন ডকিং প্ৰযুক্তিৰে চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা চতুৰ্থখন দেশ হিচাপে ভাৰত পৰিগণিত হয়। তেওঁ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ৰাষ্ট্ৰীয় পতাকা উৰুৱাই প্ৰতিগৰাকী ভাৰতীয়ক গৌৰৱান্বিত কৰা গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাক তিনিদিন পূৰ্বে সাক্ষাৎ কৰাৰ কথা উল্লেখ কৰে।

০০০০০০০

মহাকাশ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে মহাকাশ খণ্ড ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰাটো বিগত ১১ বছৰত কৰা মহানতম সংস্কাৰ বুলি অভিহিত কৰিছে। আজি নতুন দিল্লীত আয়োজিত দ্বিতীয় ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে মহাকাশ খণ্ড ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰাৰ ফলত দেশত উদ্ভাৱন আৰু উদ্যমশীলতা নতুন ঢৌৰ সৃষ্টি হৈছে। এসময়ত অকল চৰকাৰৰ নেতৃত্বৰ প্ৰকল্পৰ বাবে সীমিত ভাৰতবৰ্ষত সম্প্ৰতি শ শ ষ্টাৰ্টআপ প্ৰতিষ্ঠান আন্তঃ গ্ৰহ অন্বেষণৰ লগতে দৈনন্দিন প্ৰশাসনৰ সম্ভাব্য এপ্লিকেচনৰ সৈতে ন ন প্ৰযুক্তি বিকশাই তোলাৰ কামত ব্ৰতী হৈ আছে। মহাকাশ খণ্ড সংস্কাৰ, প্ৰদৰ্শন আৰু পৰিৱৰ্তনৰ মন্ত্ৰৰে আগবাঢ়িছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে সিন্দূৰ অভিযানৰ সময়ত সমগ্ৰ বিশ্বই ভাৰতৰ মহাকাশ আৰু প্ৰযুক্তিগত সামৰ্থ প্ৰত্যক্ষ কৰিছে। শ্ৰী সিঙে কয়, যে দুবছৰ পূৰ্বে ভাৰতৰ চন্দ্ৰযান অভিযানে চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত অৱতৰণ কৰিছিল আৰু দেশ এনে কৃতিত্ব আৰ্জন কৰা বিশ্বৰ প্ৰথমখন ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে। এই সাফল্যই ভাৰত এতিয়া আৰু অনুসৰণকাৰী ৰাষ্ট্ৰ হৈ নাই বুলি বিশ্বলৈ বাৰ্তা বহন কৰিছে বুলি ড০ সিঙে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ মহাকাশ কাৰ্যসূচী সম্প্ৰতি ৰূপান্তৰকামী পৰ্যায়ত উপনীত হৈছে আৰু প্ৰতিকী সাফল্যত সিমিত হৈ নাথাকি ই দেশৰ বৈজ্ঞানিক প্ৰগতি, প্ৰযুক্তিগত উদ্ভাৱন আৰু জনকল্যাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াবলৈ সমৰ্থ হৈছে। অনুষ্ঠানত অংশ লৈ মহাকাশচাৰী গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই কয়, যে গগণযান অভিযান আৰু ভাৰতীয় মহাকাশ কেন্দ্ৰক লৈ দেশ সঠিক দিশত অগ্ৰসৰ হৈছে আৰু চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰি সাফল্যও আৰ্জন কৰিছে। এই অভিযানক লৈ জাপান আৰু ইউৰোপৰ মহাকাশ সংস্থাসমূহ উৎসাহী বুলি শ্ৰী শুক্লাই প্ৰকাশ কৰে। তেওঁ কয়, যে মহাকাশ অন্বেষণৰ দিশৰ পৰা বৰ্তমানৰ সময়ছোৱা দেশৰ বাবে সোণালী সময়। ভাৰতৰ গগণযান অভিযানৰ বাবে প্ৰস্তুতি চলাই থকা গ্ৰুপ কেপ্তেইন প্ৰশান্ত বলাকৃষ্ণনন নায়াৰ, গ্ৰুপ কেপ্তাইন অজিত কৃষ্ণন আৰু গ্ৰুপ কেপ্তেইন অংগদ প্ৰতাপেও অনুষ্ঠানত ভাষণ দিয়ে। অনুষ্ঠানত ভাগ লৈ ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়াণনে কয়, যে ২০৪০ চনৰ ভিতৰত দেশৰ মহাকাশ কাৰ্যসূচীয়ে বিশ্বৰ যিকোনো দেশৰ মহাকাশ কাৰ্যসূচীৰ সৈতে সমানে সমান ফেৰ মাৰিব পৰা হ'ব।

০০০০০০০

ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আজি নতুন দিল্লীৰ নেহৰু প্লেনেটৰিয়ামত আৰ্যভট্ট গেলেৰী মুকলি কৰে। সংবাদ মাধ্যমৰ আগত শ্ৰী শুক্লাই দেশৰ বাবে এই সোণালী সময়ত তেওঁ গৌৰৱ অনুভৱ কৰিছে বুলি প্ৰকাশ কৰে। দেশৰ যুৱ প্ৰজন্মক উৎসাহিত কৰি নিজৰ সপোন পূৰণৰ বাবে উৎসুক হৈ

থাকিবলৈ আহ্বান জনাই তেওঁ কয়, যে দেশৰ ভালেমান অভিলাষী সপোন আছে আৰু জনসাধাৰণ সপোনক বাস্তৱায়িত কৰিবলৈ চৰকাৰে সহায় কৰা উচিত।

০০০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে, ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ'ৰে বিকশাই তোলা ভূ-পোৰ্টেলটোৰে খৰাং পৰিস্থিতি, বৰষুণ, বতৰ আদিৰ সন্দৰ্ভত সঠিক পূৰ্বানুমান প্ৰকাশ কৰি শস্য উৎপাদনৰ ক্ষেত্ৰত কৃষকসকল অধিক উপকৃত কৰিছে। নতুন দিল্লীত আদি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপনৰ অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে সম্বোধন কৰি তেওঁ কয়, যে ভাৰতৰ মহাকাশ বিজ্ঞানীসকলে আগবঢ়োৱা অৱদানে কৃষকসকলক সহায় কৰিছে। উপগ্ৰহৰ জৰিয়তে আহৰণ কৰা উল্লেখযোগ্য তথ্যৰ ফলত খাদ্য-শস্যৰ উৎপাদনত হ'ব পৰা বিৰূপ প্ৰভাৱ সন্দৰ্ভত চৰকাৰে বিভিন্ন তথ্য লাভ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী চৌহানে কয়, যে প্ৰযুক্তিৰ জৰিয়তে লাভ কৰা সঠিক তথ্যৰ ফলত ফচল বীমা যোজনাৰ অধীনত কৃষকসকলক ক্ষতিপূৰণ আদায়ৰ বাবে অধিক সহায়ক হৈছে। তেওঁ কয়, যে ভাৰতৰ বিজ্ঞানীসকলে খাদ্য-শস্যৰ আলোকচিত্ৰ বিশ্লেষণৰ জৰিয়তে কেনেধৰণৰ কীটনাশক  ব্যৱহাৰ কৰা হ'ব তাৰ নতুন প্ৰযুক্তি উদ্ভাৱনৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে।

০০০০০০০

ডাক বিভাগে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ ডাক যোগে সামগ্ৰী প্ৰেৰণৰ ব্যৱস্থাটো সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কিছুদিন পূৰ্বে আমেৰিকা যুক্তৰাষ্ট্ৰই ৮০০ ডলাৰলৈকে মূল্যৰ সামগ্ৰীৰ বাবে শুল্ক-মুক্ত ব্যৱস্থাটো এই মাহৰ 29 তাৰিখৰ পৰা প্ৰত্যাহাৰ কৰা হ'ব বুলি ঘোষণা কৰাৰ পিছতেই ডাক বিভাগে এই নিৰ্দেশনা প্ৰকাশ কৰিছে। যোগাযোগ মন্ত্ৰালয়ৰ তৰফৰ পৰা এটা বিবৃতিত কোৱা হৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে নিৰ্ধাৰিত সকলো আন্তঃৰাষ্ট্ৰীয় ডাক সামগ্ৰীত নতুন নিৰিখত শুল্ক নিৰ্ধাৰন কৰা হ 'ব। অৱশ্যে, ১০০ ডলাৰলৈকে উপহাৰৰ সামগ্ৰীত কোনো ধৰনৰ শুল্ক আৰোপ কৰা নহয়। ডাক বিভাগে সমগ্ৰ পৰিস্থিতিটোৰ ওপৰত নিবিড়ভাৱে নিৰীক্ষণ কৰি ব্যৱস্থাটো স্বাভাৱিক অৱস্থালৈ আনিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০০০

আফগানিস্তানৰ দক্ষিণ প্ৰান্তৰ হেলমন্দ প্ৰদেশত ভালেমান লোকক কঢ়িয়াই নিয়া এখন ট্ৰেক্টৰ এখন নৈত বাগৰি পৰাৰ ফলত ১২ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে চাৰিগৰাকী লোক আহত হয়। স্থানীয় সূত্ৰ অনুসৰি ঘটনাস্থলীতে ৯ টি শিশুসহ তিনিগৰাকী মহিলাৰ মৃত্যু হয়। নিৰাপত্তা বাহিনীসকলে ১৪ গৰাকী লোকক উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

০০০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে যোৱা বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে যোৱা মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

জম্মু কাশ্মীৰৰ ঐতিহাসিক ডাল হ্ৰদত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা খেলো ইণ্ডিয়া জল ক্ৰীড়া মহোৎসৱৰ আজি বিয়লি সামৰনি পৰে। প্ৰতিযোগিতাত মধ্যপ্ৰদেশে ১০টা সোন, তিনিটা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদকৰ সৈতে মুঠ ১৮ টাকৈ পদক অৰ্জন কৰি শীৰ্ষস্থান দখল কৰিছে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু জম্মু কাশ্মীৰ ক্ৰীড়া পৰিষদে যুটীয়াভাৱে আয়োজন কৰা এই ক্ৰীড়া মহোৎসৱত অঞ্চলটোৰ চহকী সংস্কৃতি আৰু পৰিৱেশকো দাঙি ধৰা হৈছিল।

০০০০০০০

কানাডাত অনুষ্ঠিত বিশ্ব আৰ্চাৰী যুৱ চেম্পিয়নশ্বিপ ২০২৫ত ২১ বছৰ অনুৰ্ধ কম্পাউণ্ড শাখাত ভাৰতৰ পুৰুষ দলটোৱে প্ৰথমবাৰৰ বাবে বিশ্ব খিতাপ অৰ্জন কৰিছে। সোণৰ পদকৰ বাবে অনুষ্ঠিত চূড়ান্ত খেলখনত ভাৰতৰ কুশল দালাল, মিহিৰ আপাৰ আৰু গণেশ মণিৰত্নমে শ্বুট আউটত জাৰ্মানীক পৰাস্ত কৰে। ১৮ বছৰ অনুৰ্ধ পুৰুষৰ কম্পাউণ্ড শাখাৰ ফাইনেলত ভাৰতৰ মোহিত দাগৰ, য়োগেশ যোশী আৰু দেৱাংছ্ সিঙে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিদ্বন্দ্বিক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে।

০০০০০০০

কাজাখস্তানৰ ছিমকেণ্টত অনুষ্ঠিত ষষ্ঠদশ এছিয়ান শ্বুটিং চেম্পিয়নশ্বিপত ভাৰতৰ অৰ্জন বাবুটা আৰু এলাবেনিল বালাৰিবনে ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড দলীয় শাখাত সোণৰ পদক লাভ কৰে। ভাৰতৰ দলটোৱে চীনৰ পেং ছিনলু আৰু লু ডিংগকেক ১৭-১১ ফলাফলত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত